بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**মক্কা বিজয়ৰ সময়ত আঁহজৰত (ছাঃ)য়ে চাহাবাসকলৰ সৈতে মক্কাত প্ৰৱেশ কৰা তথা আবু ছুফিয়ান ইছলাম গ্ৰহণ কৰাৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৭ জুন ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)য়ে নীৰৱে চাহাবাসকলৰ সৈতে মক্কাৰ কাষত গৈ শিবিত পতাৰ উল্লেখ চলি আছিল। তেখেত (ছাঃ)য়ে দহ হাজাৰ ঠাইত জুইৰে আলোকিত কৰিছিল। আবু ছুফিয়ান আৰু তেওঁৰ লগৰীয়াসকলে এই দৃশ্য চাই বৰ ভয়াতুৰ হৈ পৰিছিল। ইয়াৰ কিছু বিৱৰণ আগতে বৰ্ণনা কৰা হৈছিল, এই সন্দৰ্ভত বিস্তাৰিত বিৱৰণ বৰ্ণনা কৰিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই বিৱৰণ এঠাইত এইদৰে বৰ্ণনা কৰিছে যে হজৰত আববাছ হজৰত আবু ছুফিয়ানৰ পুৰণি বন্ধু আছিল, সেই কাৰণে তেখেতে আবু ছুফিয়ানক ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত লৈ যোৱাৰ ইচ্ছা কৰিলে আৰু নিজৰ লগতে উটৰ ওপৰত বহাই আঁহজৰত (ছাঃ)ৰ বৈঠকত উপস্থিত হয়। আবু ছুফিয়ানে ৰছুলে কৰিম (ছাঃ)ৰ কাষ চাপে তেতিয়া ইছলামী সেনাৰ মহত্ব আৰু অনুশাসন চাই আশ্চৰ্য হৈ ভয়াতুৰ হৈ পৰে। তেওঁৰ হৃদয়ত পৰিৱৰ্তন আহি গৈছিল। কাৰণ তেওঁ ৭ বছৰ পূৰ্বৰ কথা মনত পেলাই আছিল যেতিয়া মহম্মদ (ছাঃ)ক মক্কাৰ পৰা বাহিৰ কৰি দিয়া হৈছিল। আজি সেই ৰছুলে কৰিম (ছাঃ)য়ে দহ হাজাৰ সেনাৰ সৈতে মদিনা আহি পাইছে কোনো নিষ্ঠুৰতা আৰু অত্যাচাৰ অবিহনে। ৰছুলে কৰিম (ছাঃ)য়ে আবু ছুফিয়ানৰ অৱস্থা চাই কলে যে তেওঁক ৰাতি হজৰত আববাছ (ৰাঃ)ৰ সৈতে থাকিবলৈ দিয়া যাতে তেওঁ নিজেই তেওঁৰ অৱস্থা চাই বুজিব পাৰে। যেতিয়া ফজৰৰ নামাজৰ সময় হয় তেতিয়া আবু ছুফিয়ানে মুছলমান সকলক অজু কৰা, নামাজত শাৰী পতা আৰু নামাজ

পড়াৰ দৃশ্য দেখা পাই ভয় পাইছিল যে সম্ভৱত এইটো কোনো নতুন শাস্তি হ'ব। হজৰত আববাছ (ৰাঃ)য়ে তেওঁক কলে যে এইটো নামাজ হয়। নামাজৰ সময়ত আবু ছুফিয়ানে যেতিয়া দেখা পালে যে হাজাৰ হাজাৰ মুছলমান ৰছুলে কৰিম (ছাঃ)ৰ অনুসৰণ কৰি ৰুকু আৰু ছিজদা কৰি আছে তেতিয়া তেওঁ হজৰত আববাছক কয় যে মই কিছৰা আৰু কায়ছৰৰ দৰবাৰ চাইছো কিন্তু এনেকুৱা আনুগত্য জাতি দেখা নাই যিদৰে মহম্মদ (ছাঃ)ৰ আনুগত্য স্বীকাৰ কৰে। হজৰত আববাছ (ৰাঃ)য়ে পুনৰায় কয় যে এইটো তোমাৰ বাবে উত্তম যে এতিয়া তুমি ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত ক্ষমাৰ আবেদন কৰা। নামাজ শেষ হোৱাৰ পিছত হজৰত আববাছ (ৰাঃ)য়ে আবু ছুফিয়ানক ৰছুলে কৰিম (ছাঃ)ৰ সন্মুখত লৈ যায়। ৰছুলে কৰিম (ছাঃ)য়ে আবু ছুফিয়ানক তৌহিদ আৰু পয়গম্বৰৰ ওপৰত বিশ্বাস স্থাপন কৰা সন্দৰ্ভত প্ৰশ্ন কৰে। আবু ছুফিয়ানে তৌহিদ মানি লয় কিন্তু পয়গম্বৰক অস্বীকাৰ কৰে। তেওঁৰ লগৰীয়া হাকিম বিন হিজাম আৰু এজন ব্যক্তি মুছলমান হৈ গৈছিল। পিছত আবু ছুফিয়ানেও ইছলাম গ্ৰহণ কৰিছিল; কিন্তু তেওঁৰ হৃদয় পৰিপূৰ্ণভাৱে মক্কা বিজয় হোৱাৰ পিছত মুকলি হৈ পৰিছিল। হাকিম বিন হিজাম (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ক প্ৰশ্ন কৰিলে যে এই সেনা নিজৰ জাতিক ধ্বংস কৰিবলৈ আহিছে নে? ৰছুলে কৰিম (ছাঃ)য়ে কলে যে মক্কাবাসী সকলে অত্যাচাৰ আৰু প্ৰতিশ্ৰুতি ভঙ্গ কৰিছে, হাৰমত তেজ বোৱাইছে সেই কাৰণে এই পদক্ষেপ লোৱা অনিবাৰ্য আছিল। ইয়াৰ পিছত ৰছুলে কৰিম (ছাঃ)য়ে স্পষ্ট কৰে যে যিসকলে তৰোৱাল ধাৰণ নকৰিব বা ঘৰতে সুৰক্ষিত থাকিব বা আবু ছুফিয়ান, হাকিম বিন হিজাম বা পৱিত্ৰ মছজিদত আশ্ৰয় ল'ব তেওঁলোকক নিৰাপদে আশ্ৰয় দিয়া হ'ব।

হজৰত আববাছ (ৰাঃ)য়ে আবু ছুফিয়ানৰ বিষয়ে শংকা প্ৰকাশ কৰিলে যে তেওঁৰ ইছলাম গ্ৰহণ কৰাটো এতিয়াও দুৰ্বল হৈ আছে। ৰছুলে কৰিম (ছাঃ)য়ে কলে তেওঁক বাধা দিয়া হওঁক যাতে তেওঁ ইছলামী সেনাক নিজৰ চকুৰে চাব পাৰে। সেয়ে আববাছ (ৰাঃ)য়ে আবু ছুফিয়ানক এনে এটা উপত্যকাত বাধা দি ৰাখিলে যিফালেদি সেনা সকল গৈ আছিল। আবু ছুফিয়ানে ইছলামী সেনাসকলৰ অসাধাৰণ শক্তি দেখিলে। আনছাৰ সকলৰ মাজৰ চৰ্দাৰ হজৰত ছাআদ বিন উবাদা (ৰাঃ)য়ে উৎসাহিত হৈ কলে যে আজিৰ দিনটো যুদ্ধৰ দিন আজি কাবাৰ পৱিত্ৰতা আৰু নাথাকিব। ইয়াৰ ওপৰত আবু ছুফিয়ানে প্ৰতিক্ৰিয়া কৰিলে যে এই দিন ধ্বংসৰ দিন হ'ব পাৰে। ইয়াৰ পিছত ৰছুলে কৰিম (ছাঃ)য়ে নিজেই এজন সেনাৰ সৈতে আহে আৰু পতাকাখন হজৰত জুবেৰ বিন আৱাম (ৰাঃ)ৰ ওচৰত আছিল। আন এটা বৰ্ণনা অনুযায়ী ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া আবু ছুফিয়ানৰ কাষেদি গৈ আছিল তেতিয়া তেওঁ কৈছিল যে হে আল্লাহৰ ৰছুল! আপুনি নিজৰ জাতিক সাধাৰণতে হত্যা কৰাৰ নিৰ্দেশ দিছে নে? ছাআদ বিন উবাদাই এইদৰে কৈ আছে এই কথা আপুনি গম নাপায় নে? মই তেখেত (ছাঃ)ক তেখেতৰ জাতি সন্দৰ্ভত আল্লাহ তা'লাৰ শপত খাই কওঁ যে তেখেত (ছাঃ) সকলোতকৈ অধিক পৱিত্ৰ, শান্তি, সম্প্ৰীতি আৰু দয়া কৰোঁতা। ৰছুলে কৰিম (ছাঃ)য়ে কলে যে ছাআদে ভুল কৈছে, আজিৰ দিন ৰহমতৰ দিন। আজিৰ দিনা আল্লাহ তা'লাই কা'বাৰ মহত্ব প্ৰকাশ কৰিব তথা আল্লাহ তা'লাই কুৰাইছ সকলক প্ৰকৃত সন্মান প্ৰদান কৰিব। ৰছুলে কৰিম (ছাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ক সংবাদ পঠালে আৰু তেওঁৰ পৰা পতাকাখন লৈ তেওঁৰ ল'ৰা হজৰত কায়েছ (ৰাঃ)ক দিলে।

হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে এই সন্দৰ্ভত বৰ্ণনা কৰিছে যে এইদৰে তেখেত (ছাঃ)য়ে মক্কাবাসীৰ হৃদয় জয় কৰিলে আৰু আনছাৰসকলকো আঘাত পোৱাৰ পৰা সুৰক্ষিত কৰিলে। ৰছুলে কৰিম (ছাঃ)য়ে কায়েছৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছিল, কিয়নো কায়েছ অতিশয় ভদ্ৰ স্বভাৱৰ যুৱক আছিল। ইবনে আবি শ্বিবাই বৰ্ণনা কৰিছে যে হজৰত আববাছ (ৰাঃ)য়ে কৈছে যে হে আল্লাহৰ ৰছুল! আপুনি মোক

অনুমতি দিয়ক মই মক্কাবাসীৰ ওচৰলৈ গৈ তেওঁলোকক এই নিমন্ত্ৰণ জনাম যে আপুনি সিহঁতক নিৰাপদ প্ৰদান কৰিব। অৰ্থাৎ তেওঁ ৰছুলে কৰিম (ছাঃ)ৰ বগা শ্বাহবা নামৰ খচ্চৰৰ ওপৰত আৰোহণ কৰি ৰাওনা হয়, তেওঁ মক্কাত প্ৰৱেশ কৰি কয় যে হে মক্কাবাসী ! ইছলাম গ্ৰহণ কৰা, মুক্তি লাভ কৰিবা। তোমালোকৰ ওচৰত ইমান বৃহৎ পৰিমাণৰ সেনা আহি পাইছে যিসকলৰ সৈতে তোমালোকে যুঁজ দিবলৈ অক্ষম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আবু ছুফিয়ানে নিজে নিজে আনন্দিত হৈ আছিল যে মই মক্কাৰ লোকসকলৰ বাবে মুক্তিৰ বাট উন্মোচন কৰিছোঁ, তেওঁৰ স্ত্ৰী হিন্দা যিগৰাকীয়ে প্ৰাৰম্ভিক অৱস্থাত মুছলমান সকলৰ প্ৰতি ঘৃণনীয় শিক্ষা লোকসকলক দিছিল তাই কাফিৰ হোৱাৰ বাহিৰেও এজন বীৰত্ব মহিলা আছিল, আগবাঢ়ি গৈ নিজৰ স্বামীৰ দাড়ী ধৰি মক্কাবাসীক ক'ব ধৰিলে যে আহঁক এই মুৰ্খ বুঢ়াক হত্যা কৰি পেলোৱা হওঁক, নতুবা এও তোমালোকক উপদেশ দি থাকিব, নিজৰ প্ৰাণ আৰু চহৰখনৰ সন্মান ৰক্ষাৰ্থে যুঁজ দি মৰি যোৱা। এওঁ তোমালোকক শান্তিৰ ঘোষণা কৰি আছে। আবু ছুফিয়ানে তেওঁৰ আচৰণ দেখি কয় যে মুৰ্খ! এতিয়া এনে কথা কোৱাৰ সময় নহয়, যোৱা আৰু নিজৰ ঘৰতে গোপন হৈ থকা, মই সেই সেনা বাহিনী চাই আহিছো যাৰ মোকাবিলা কৰাৰ ক্ষমতা সমগ্ৰ আৰবৰ নাই।

ইছলামী সেনা সকলৰ মক্কাত প্ৰৱেশ হোৱাৰ ঘটনা বুখাৰীত উল্লেখ পোৱা যায় যে হজৰত উৰুৱা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেখেত (ছাঃ)য়ে হজৰত জুবেৰ (ৰাঃ)ক নিৰ্দেশ দিছিল যে মক্কাৰ ওখ অংশ কাদাৰ মাজেৰে প্ৰৱেশ কৰিবা, তেওঁ পতাকাখন হজুন নামৰ ঠাইত উত্তোলণ কৰিলে আৰু তেখেত (ছাঃ)য়ে নহালৈকে সেই ঠাই নেৰিলে। হজৰত খালিদ বিন অলিদ (ৰাঃ)সেনাৰ সোঁ ফালে নিযুক্ত হৈ আছিল। তেওঁৰ অধীনত আছলাম, ছুলাইম, গিফাৰ আৰু জুহাইনা গোষ্ঠী আছিল। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক মক্কাত নশ্বিবী অঞ্চলৰ মাজেদি প্ৰৱেশ কৰাৰ আদেশ দিছিল। তেখেত (ছাঃ)য়ে তেওঁক ওচৰীয়া ঘৰৰ কাষতে পতাকাখন উত্তোলণ কৰিবলৈ নিৰ্দেশ দিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)ক পিয়াদাহ দাস্তাত নিযুক্তি দিলে। আঁহজৰত (ছাঃ)য়ে নিজৰ আমিৰসকলক নিৰ্দেশ দিছিল যে তেওঁলোকে যুদ্ধ কৰাৰ পৰা বিৰত থাকিব, কেৱল তেওঁৰ সৈতে যুদ্ধ কৰিব যিয়ে তোমালোকৰ সৈতে যুদ্ধ কৰে।

ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া মক্কাত প্ৰৱেশ কৰাৰ ওচৰ চাপিছিল তেতিয়া মক্কাৰ কিছুমান মুখিয়াল চৰ্দাৰ যেনে চাফৱান, আকৰামা, আৰু ছুহেলে মুছলমান সকলৰ সৈতে যুদ্ধ কৰাৰ প্ৰস্তুতি চলায়, খান্দামা ঠাইত কুৰাইছ, বনু বকৰ আৰু হুজেলৰ লোকসকলক একত্ৰিত কৰে। তেওঁলোকে শপত খাই আছিল যে মহম্মদ (ছাঃ)ৰ শক্তিৰ বলতে মক্কাত প্ৰৱেশ কৰিব নোৱাৰিব। বনু বকৰৰ এজন ব্যক্তি জুমাশ বিন কায়েছে বৰ গৌৰৱেৰে প্ৰস্তুতি ললে, কিন্তু তেওঁৰ স্ত্ৰীয়ে তেওঁক সতৰ্ক কৰিলে যে মহম্মদ (ছাঃ)ৰ সৈতে মোকাবিলা কৰা তোমাৰ পক্ষে সম্ভৱ নহয়, তথাপি তেওঁ খান্দামলৈ গ'ল। যেতিয়া খালিদ বিন উলিদৰ সেনা তাৰ পৰা মক্কাত প্ৰৱেশ কৰিব বিচাৰিলে তেতিয়া সেই পৌত্তলিক সকলে প্ৰতিৰোধ কৰিছিল আৰু যুদ্ধ আৰম্ভ কৰিলে; যাৰ ফলত বনু বকৰৰ ২০ জন আৰু হুজেইলৰ ৩ বা ৪ জন ব্যক্তিৰ হত্যা হয় আৰু শত্ৰুসকল বেয়াকৈ পৰাজয় হয়। ইয়াৰ পিছত তেওঁলোকে বিচ্ছিন্ন হৈ পৰে। হিমাশ বিন কায়েছো ময়দান এৰি পলায়ন কৰি ঘৰলৈ যায়, নিজৰ স্ত্ৰীক কয় যে দুৱাৰখন বন্ধ কৰি দিয়া, স্ত্ৰীয়ে তেওঁক তুচ্ছ কৰিলে, জমাশ লজ্জিত হৈ কবিতা পাঠ কৰে যাৰ অৰ্থ হৈছে যদি তাই খান্দামাৰ যুদ্ধ চালেহেঁতেন তেন্তে জানিব পাৰিলেহেঁতেন যে চাফৱান, আকৰামা সকলোৱে পলায়ন কৰিছিল আৰু তৰোৱাল তেওঁলোকৰ মূৰৰ ওপৰত ধাৰণ কৰা হৈ আছিল।

বুখাৰীত আছে যে হজৰত খালিদ (ৰাঃ)ৰ অশ্বাৰোহীৰ মাজৰ দুজন ব্যক্তিক হত্যা কৰা হৈছিল। মক্কাবাসী সকলে যেতিয়া নিৰাপদ বিচাৰি আছিল এনে অৱস্থাত আঁহজৰত (ছাঃ)য়ে নিজৰ প্ৰাণ আহুতি দিয়া চাহাবাসকলৰ সহানুভুতি পাহৰি যোৱা নাছিল। তেখেত (ছাঃ)ৰ নিশ্চয় কিছু কাল পূৰ্বৰ ঘটনা মক্কাৰ গলীত কৰা নিৰ্যাতন আৰু অত্যাচাৰৰ কথা মনত পৰি আছিল। তাতে বিলাল (ৰাঃ)য়ো আছিল, যাক ৰছিৰে বান্ধি শিলাময় গলীৰে চোঁচৰাই লৈ আছিল। আজি সেই বিলাল (ৰাঃ)মক্কা বিজয়ৰ সেনাত অন্তৰ্ভুক্ত। তেওঁৰ মস্তিস্কত সেই অত্যাচাৰৰ দৃশ্য দৃশ্যমান হৈ আছিল। তেখেত (ছাঃ)য়ে ইয়াৰ প্ৰতিশোধ লোৱাটো জৰুৰী ভাৱিলে আৰু কিমান সুন্দৰভাৱে ইয়াৰ পৰিশোধ ললে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মক্কা বিজয়ৰ সময়ত ৰছুলে কৰিম (ছাঃ)য়ে বিলাল (ৰাঃ)ৰ ভাই আবি ৰোহা (ৰাঃ)ক পতাকাখন দি ঘোষণা কৰিলে যে যিয়ে এই পতাখনৰ তলত আহিব তেওঁক আশ্ৰয় দিয়া হ'ব, লগতে বিলাল (ৰাঃ)ক আদেশ দিলে যে তেওঁ নিজে গৈ মক্কাৰ গলীত ঘোষণা কৰক। এই পদক্ষেপ এটা বুদ্ধিমানৰ কাম আৰু ইছলামী নৈতিকতাৰ প্ৰতীক আছিল। বিলাল (ৰাঃ) সেইজন ব্যক্তি আছিল যাক মক্কাৰ এই গলীবোৰতে নিৰ্যাতন আৰু অত্যাচাৰ কৰা হৈছিল। কিন্তু ৰছুলে কৰিম (ছাঃ)য়ে প্ৰতিশোধ তৰোৱালেৰে লোৱা নাছিল বৰঞ্চ বিলাল (ৰাঃ)ক শান্তিৰ প্ৰতিনিধিৰ ঘোষক বনালে। এই কৰ্মৰ ফলত হজৰত বিলাল (ৰাঃ)ৰ হৃদয়ত প্ৰতিশোধৰ জুই প্ৰেমৰ মহত্বলৈ পৰিৱৰ্তন হৈ যায়। বিলাল (ৰাঃ) সেই মুহূৰ্তক নিশ্চয় অনুতাপ কৰি আছিল যে তেওঁ কেতিয়াবা কৃতদাস আছিল আৰু অত্যাচাৰৰ বলি হৈছিল। আজি তেওঁ সেই লোকসকলক শান্তিৰ আশ্ৰয় দি আছে। এই প্ৰতিশোধ হজৰত ইউচুফ (আঃ)ৰ প্ৰতিশোধতকৈ অধিক মহান আছিল, কিয়নো হজৰত ইউচুফে নিজৰ ভাইসকলক ক্ষমা কৰি দিছিল, কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ জাতিক এজন কৃতদাসৰ জৰিয়তে ক্ষমা কৰি দিলে। এই কৰ্ম কেৱল ইছলামৰ ন্যায়ৰ উচ্চ দৃষ্টান্তই নাছিল বৰঞ্চ বিলাল (ৰাঃ)ৰ নিচিনা দুৰ্বল আৰু নিপীড়িত ব্যক্তিৰ দৃষ্টান্তহীন সন্মান আছিল যিটো বিশ্বৰ ইতিহাসত সদায় মনত পেলোৱা হ'ব।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এইটো আছিল আমাৰ প্ৰতিনিধি ও নবী (ছাঃ)ৰ প্ৰতিশোধ লোৱাৰ আদৰ্শ **আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিন ওৱা আলে মুহাম্মদ ওৱা বাৰিক ওৱা ছাল্লিম ইন্নাকা হামিদুম মাজিদ।**

খোতবাৰ শেষত মাননীয়া আমিনা শ্বাহবাজ চাহিবা মাননীয় ইনামুল্লাহ চাহাবৰ স্ত্ৰী লাহোৰৰ সদগতি উল্লেখ কৰি নামাজৰ পিছত নামাজে জানাজা আদায় কৰাৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB